# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুৱাহাটীত ভাৰতীয় ৰেলৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে’লখনৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰে’লমন্ত্ৰীগৰাকীয়ে আজি পতাকা জোকাৰি তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে’ল দুখনৰ যাত্ৰাৰো শুভাৰম্ভ কৰে।

গুৱাহাটী ৰে’ল ষ্টেচনত আজি এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৪-২৫ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে’ল খণ্ডৰ বিকাশৰ বাবে ১০ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। উত্তৰ-পূৰ্বাঞ্চল এতিয়াৰে পৰা দেশৰ নতুন ইঞ্জিন বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে **লুক ইষ্ট নীতিক এক্ট ইষ্ট নীতি**লৈ সলনি কৰিলে। উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বাজেটত  এক লাখ ২৫ হাজাৰ কোটি টকাৰ আৱণ্টন দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰিগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, এই নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে’লখনে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে’ল যোগাযোগ অধিক সুচল কৰি তুলিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত জাগীৰোডত ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি প্ৰতিষ্ঠান অৰ্থাৎ নাইলেট বিশ্ববিদ্যালয় স্থাপনৰ কথা উল্লেখ কৰি কয়, যে এই প্ৰতিষ্ঠানে যুৱক-যুৱতীসকলক বৈদ্যুতিন, ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা আদি বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ বাবে সাজু কৰি তুলিব।

শ্ৰী বৈষ্ণৱে গুৱাহাটীৰ তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুও আজি উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মাণৰত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ কামকাজ পৰিদৰ্শন কৰে। তেওঁ লগতে গুৱাহাটীত শীৰ্ষ বিষয়াসকলৰ সৈতে উত্তৰ-পূব সীমান্ত ৰে’লৱে প্ৰকল্পও পৰিদৰ্শন কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰযুক্তিগত বিপ্লৱে সহায় কৰিব। এই ক্ষেত্ৰত নাইলেট বিশ্ববিদ্যালয়ে ৰাজ্যৰ শিক্ষা জগতত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক অহা ২৫ ফেব্ৰুৱাৰীত হ’বলগীয়া এডভাণ্টেজ আছাম সন্মিলনলৈ আমন্ত্ৰণ জনায়।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড়ৰ লগতে কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদ উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰে প্ৰতিবছৰে ১৩ মে'ত অন্ধ বিশ্বাস বিৰোধী দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডাইনী হত্যাৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে যুঁজ দিয়া পদ্মশ্ৰী সন্মানেৰে বিভূষিত বীৰুবালা ৰাভাৰ মৃত্যুৰ দিনটো এনেদৰে পালন কৰিবলৈ ৰাজ্যপালৰ অনুমোদন সাপেক্ষে মহিলা আৰু শিশু বিকাশ বিভাগে অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত উল্লেখ কৰা মতে সমাজৰ বাবে ক্ষতিকাৰক অন্ধ বিশ্বাসৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ ২১৯ টা খণ্ডত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই এই দিৱসত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব।

০০০০০

অসম আৰক্ষীৰ ২০২ টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ এটা সহকাৰী উপ-নিয়ন্ত্ৰক পদৰ বাবে পৰহিলৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

শোণিতপুৰ জিলাৰ বিভিন্ন কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া লিখিত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশ অংকুৰ ভড়ালীয়ে এটা নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ পৰা এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এডমিট কাৰ্ড থকা প্ৰাৰ্থী, পৰীক্ষাৰ লগতে জড়িত কৰ্মচাৰী, আইন শৃংখলা বাহিনী আৰু চৰকাৰৰ আন অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত ব্যক্তিৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰিও পৰীক্ষা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বাহনৰ চলাচল আৰু পাৰ্কিং নিষিদ্ধ কৰাৰ লগতে পৰীক্ষাৰ্থীসকলক পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ মোবাইল ফোন, কেলকুলেটৰ, স্মাৰ্টৱাছ, ব্লুটুথ ডিভাইছ আদি নিয়াৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। এই নিৰ্দেশ পুৱা ৬ বজাৰ পৰা বলবৎ হৈ পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত অব্যাহত থাকিব। নিৰ্দেশ অমান্য কৰাা ব্যক্তিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা প্ৰাৰ্থীসকলে এডমিট কাৰ্ডৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, চালকৰ অনুজ্ঞাপত্ৰ, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন চৰকাৰী ফটোযুক্ত পৰিচয়পত্ৰ পৰীক্ষা কেন্দ্ৰত দেখুৱাব লাগিব।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাৰ ২ নম্বৰ ম'হপাৰাত আজি পুৱাৰ ভাগত গড়ৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। খেতি পথাৰত কাম কৰি থকা অৱস্থাত গড়ৰ আক্ৰমণত গুৰুতৰভাৱে আহত লোকজনক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। লোকজন অঞ্চলটোৰে অমৰাম গণক বুলি জানিব পৰা গৈছে।

০০০০০

ছিডনীত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ আজি আৰম্ভ হোৱা নিৰ্ণায়ক খেলখনৰ প্ৰথম দিনটোত ভাৰতে ১৮৫ ৰানতে প্ৰথম ইনিংছ সামৰে। এই শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অষ্ট্ৰেলিয়াৰ হৈ স্কট বলেন্দে ৪টা উইকেট দখল কৰি ভাৰতক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিয়ে। ভাৰতৰ হৈ যশপ্ৰীত

বুমৰাই ২২ আৰু জাদেজাই ২৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছৰ আজি প্ৰথম দিনৰ সামৰণিত এটা  উইকেটৰ বিনিময়ত ৯ ৰান সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে চলিত শৃংখলাত ভাৰত সম্প্ৰতি ২-১ ফলাফলত পিছ পৰি আছে। ভাৰতে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব।

ooooo

সমাপ্ত